অসমীয়া খবৰ
নিৰ্ভীক, নিৰপেক্ষ
ASOMIYA KHABAR GUWAHATI WEDNESDAY 29 NOVEMBER 2017

অঞ্চুজামছেনপা-শৰ্মিষ্ঠা প্ৰীতমলৈ ফেল'শ্বিপ

# হৰিশংকৰ ব্ৰহ্মালৈ কৃষ্ণকান্ত সন্দিকৈ ৰাষ্ট্ৰীয় বঁটা



**ষ্টাফ ৰিপ'টাৰ, ২৮ নৱেম্বৰ ঃ** চলিত বৰ্ষৰ কৃষ্ণকান্ত সন্দিকৈ ৰাষ্ট্ৰীয় বঁটা প্ৰদান কৰা হ'ব দেশৰ প্ৰাক্তন মুখ্য নিৰ্বাচন আয়ুক্ত হৰিশংকৰ ব্ৰহ্মাক। আজি *শেষাংশ ৬ পৃষ্ঠাত*

## হৰিশংকৰ ব্ৰহ্মালৈ কৃষ্ণকান্ত সন্দিকৈ

এক সংবাদমেলযোগে এই কথা আনুষ্ঠানিকভাৱে ঘোষণা কৰে কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° হিতেশ ডেকাই। দিছপুৰৰ হাউছফেডস্থিত মুক্ত বিশ্ববিদ্যালয়খনৰ কাৰ্যালয়ত আয়োজিত সংবাদমেলখনত উপাচাৰ্য ড° ডেকাই চলিত বৰ্ষৰ কৃষ্ণকান্ত সন্দিকৈ ৰাষ্ট্ৰীয় ফেল'শ্বিপ আৰু ভাৰতীয় অসামৰিক সেৱাৰ মূল পৰীক্ষাত অৱতীৰ্ণ হ'বলগীয়া পাঁচগৰাকী পৰীক্ষাৰ্থীলৈ জলপানি আগবঢ়োৱাৰ কথাও সংবাদমেলত ঘোষণা কৰে। উপাচাৰ্যগৰাকীয়ে ঘোষণা কৰা অনুসৰি এইবাৰ কৃষ্ণকান্ত সন্দিকৈ ৰাষ্ট্ৰীয় ফেল'শ্বিপ যুটীয়াভাৱে আগবঢ়োৱা হ'ব অৰুণাচল প্ৰদেশৰ সুখ্যাত মহিলা পৰ্বতাৰোহী অঞ্চু জামছেনপা আৰু অসমৰ যুৱ প্ৰজন্মৰ লেখিকা শৰ্মিষ্ঠা প্ৰীতমক। উল্লেখ্য যে অঞ্চু জামছেনপাই মাত্ৰ ১০ দিনৰ ভিতৰতে দুবাৰকৈ বিশ্বৰ সৰ্বোচ্চ শৃংগ এভাৰেষ্টত আৰোহণ কৰি বিশ্বাভিলেখ গঢ়িবলৈ সক্ষম হৈছিল। আনহাতে বিশেষভাৱে সক্ষম শৰ্মিষ্ঠা প্ৰীতমে শাৰীৰিক প্ৰতিবন্ধকতাক নেওচি সৃষ্টিশীল কৰ্মৰ সৈতে জড়িত হৈ অদমনীয় সাহস আৰু আত্মপ্ৰত্যয়ৰ বিৰল চানেকি দাঙি ধৰিবলৈ সক্ষম হৈছে। ইফালে কৃষ্ণকান্ত সন্দিকৈ ৰাষ্ট্ৰীয় বঁটাৰ বাবে বাছনি কৰা হৰিশংকৰ ব্ৰহ্মা হৈছে দেশৰ মুখ্য নিৰ্বাচন আয়ুক্তৰ আসনত অধিষ্ঠিত হোৱা প্ৰথমগৰাকী অসমীয়া। ১৯৫০ চনৰ ১৯ এপ্ৰিলত জন্মগ্ৰহণ কৰা ব্ৰহ্মাই গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ৰাজনীতি বিজ্ঞান বিষয়ত ডিগ্ৰী লাভ কৰিছিল। পৰৱৰ্তী পৰ্যায়ত ভাৰতীয় প্ৰশাসনিক সেৱাৰ অন্ধ্ৰপ্ৰদেশ কেডাৰৰ বিষয়া হিচাপে বিভিন্ন উচ্চ পদবীত সফলতাৰে কাৰ্যনিৰ্বাহ কৰি আহিছে। নিৰ্বাচন আয়ুক্ত হিচাপেও তেওঁ নিজৰ দায়িত্ব পালনৰ ক্ষেত্ৰত দক্ষতাৰ পৰিচয় দিছিল। কৃষ্ণকান্ত সন্দিকৈ ৰাষ্ট্ৰীয় বঁটা হিচাপে তেওঁক নগদ পাঁচ লাখ টকা, এখন মানপত্ৰ আৰু এটা স্মাৰক প্ৰদান কৰা হ'ব। উল্লেখ্য যে তেওঁৰ পূৰ্বে এই কৃষ্ণকান্ত সন্দিকৈ ৰাষ্ট্ৰীয় বঁটা আগবঢ়োৱা হৈছিল প্ৰসিদ্ধ অসম সন্তান তথা মহাকাশ বিজ্ঞানী জিতেন্দ্ৰনাথ গোস্বামী আৰু যশস্বী শিক্ষাবিদ ড° মৃণাল মিৰিক। সংবাদমেলত কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ উপাচাৰ্যগৰাকীয়ে সদৰী কৰা মতে ফেল'শ্বিপ লাভ কৰা অঞ্চু জামছেনপা আৰু শৰ্মিষ্ঠা প্ৰীতমক ছয় লাখ টকাকৈ আগবঢ়োৱাৰ লগতে মানপত্ৰ আৰু স্মাৰক প্ৰদান কৰা হ'ব। উল্লেখ্য যে কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে এ পি জে আব্দুল কালাম ৱেলফেয়াৰ মিছনৰ অধীনত ভাৰতীয় অসামৰিক সেৱাৰ মূল পৰীক্ষাত অৱতীৰ্ণ হ'বলগীয়া পাঁচগৰাকী প্ৰতিযোগীৰ প্ৰত্যেককে পৰীক্ষাৰ প্ৰস্তুতিৰ বাবে এক লাখ টকাকৈ জলপানি আগবঢ়াব। মন কৰিবলগীয়া যে মুক্ত বিশ্ববিদ্যালয়খনৰ প্ৰতিগৰাকী কৰ্মচাৰীয়ে নিজস্ব পদমৰ্যাদা অনুসৰি প্ৰতিদিনে এক টকাৰ পৰা ২০ টকালৈ আগবঢ়োৱা অনুদানৰ ধনেৰে এই জলপানি আগবঢ়োৱাৰ পৰিকল্পনা কৰা হৈছে বুলিও উপাচাৰ্যগৰাকীয়ে সংবাদমেলত সদৰী কৰে। দেশৰ প্ৰশাসনিক সেৱাত মহিলাৰ সংখ্যা বৃদ্ধি কৰাৰ লক্ষ্যৰে এই জলপানি প্ৰদানৰ ব্যৱস্থা কৰা হৈছে বুলি উল্লেখ কৰি উপাচাৰ্য ড° ডেকাই কয় যে কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ক কেৱল বিদ্যায়তনিক প্ৰতিষ্ঠান হিচাপে নহয়, এক সামাজিক প্ৰতিষ্ঠান হিচাপেও গঢ় দিবলৈ প্ৰয়াস কৰা হৈছে। এই উদ্দেশ্য আগত ৰাখি বিশ্ববিদ্যালয়খনে ৰাণী ব্লকৰ হানাপাৰা আৰু দক্ষিণ ভোলাগাঁও নামৰ গাঁও দুখনক বাছনি কৰা হৈছে। উল্লেখ্য যে মুক্ত বিশ্ববিদ্যালয়খনে আজি ঘোষণা কৰা এই বঁটা, ফেল'শ্বিপ আৰু জলপানিসমূহ অহা ১১ ডিচেম্বৰত অনুষ্ঠিত হ'বলগীয়া বিশ্ববিদ্যালয়খনৰ দ্বাদশ প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি গুৱাহাটীৰ মাছখোৱাস্থিত প্ৰাগজ্যোতি আই টি এ চেণ্টাৰত আনুষ্ঠানিকভাৱে প্ৰদান কৰা হ'ব। উক্ত অনুষ্ঠানত ৰাজ্যপাল জগদীশ মুখী আৰু মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালেও অংশগ্ৰহণ কৰিব বুলি সংবাদমেলত সদৰী কৰে উপাচাৰ্যগৰাকীয়ে।